জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫২/২০২১

## অসম-পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰ গেটৰ ক'ভিড ব্যৱস্থাপনাৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## ৰেপিড এন্টিজেন পৰীক্ষাৰ লগতে আৰটিপিচিআৰ পৰীক্ষাৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

### ক'ভিড পৰিস্থিতিৰ বাবে বৰ্তমানে আৰোপিত হৈ থকা আন্তঃজিলা যাতায়াত বন্ধৰ পদক্ষেপ কঠোৰভাৱে বলবৎ কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

### স্বাস্থ্য আন্তঃগাঁথনিৰ শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে প্ৰতিখন জিলা হাস্পতালতে অক্সিজেন প্লান্ট স্থাপনৰ পৰিকল্পনা কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ সৈতে অসম-পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰ গেট পৰিদৰ্শন কৰি এই গেটত স্থাপন কৰা ক'ভিড পৰীক্ষা কেন্দ্ৰ আৰু অন্যান্য ব্যৱস্থাপনাৰ বিতং বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই চেকগেটত প্ৰতিদিনে কৰা ক'ভিড পৰীক্ষা তথা পৰীক্ষাৰ অন্তত ক'ভিড পজিটিভ চিনাক্তকৰণ কৰা ৰোগীৰ আছুতীয়াকৰণ তথা চিকিৎসা প্ৰদান ইত্যাদি দিশসমূহৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে চেকগেটখনত থকা কৰ্তব্যৰত বিষয়াসকলৰ সৈতেও মত-বিনিময় কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীৰামপুৰ গেটৰ ক'ভিড -১৯ চিনাক্তকৰণ গেটত অনুষ্ঠিত এক বৈঠকত শ্ৰীৰামপুৰ আন্তঃৰাজ্যিক সীমান্তত ক'ভিড-১৯ ৰ ব্যৱস্থাপনাকে ধৰি কোকৰাঝাৰ জিলাৰ সামগ্ৰিক ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰে। পৰ্যালোচনা কালত জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলে মুখ্যমন্ত্ৰীক শ্ৰীৰামপুৰ গেটকে সামৰি জিলাখনৰ ক'ভিড ব্যৱস্থাপনা, টীকাকৰণ কাৰ্যসূচী, ক'ভিড পৰীক্ষা ইত্যাদি সম্পৰ্কে বিশদভাৱে অৱগত কৰে।

পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলাখনত ৰেপিড এন্টিজেন টেষ্টৰ লগতে আৰটিপিচিআৰ টেষ্টৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত ক্ৰমান্বয়ে আৰটিপিচিআৰ টেষ্টৰ সংখ্যা ২০ শতাংশলৈকে বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ক'ভিড-১৯ ৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে বৰ্তমানে আৰোপিত হৈ থকা আন্তঃজিলা যাতায়াত বন্ধৰ নিৰ্দেশ কঠোৰভাৱে বলবৎ কৰাৰ পদক্ষেপ ল'বলৈ কোকৰাঝাৰ জিলাৰ আৰক্ষী অধীক্ষকক মুখ্যমন্ত্ৰীয়ে আজিৰ

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

বৈঠকতে নিৰ্দেশ দিয়ে। জিলাখনৰ যিসমূহ ঠাইত ক'ভিড সংক্ৰমণৰ সংখ্যা বৃদ্ধি হৈছে সেইসমূহ অঞ্চলত টীকাকৰণ দ্ৰুততৰ কৰাৰ পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলাখনত থকা চাহ বাগিচাসমূহত এন্টিজেন টেষ্টৰ উপৰি আৰটিপিচিআৰ পৰীক্ষাৰ সংখ্যা আৰু অধিক বৃদ্ধি কৰাৰ বাবে নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান, জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে শ্ৰীৰামপুৰ গেট চৌহদত এক বৃক্ষ ৰোপন কাৰ্যসূচীতো অংশ গ্ৰহণ কৰে।

ইয়াৰ পিছতে উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজি তেখেতে স্বাস্থ্যমন্ত্ৰী তথা বিটিআৰৰ মুৰব্বীৰ সৈতে শ্ৰীৰামপুৰ গেট তথা সমগ্ৰ কোকৰাঝাৰ জিলাৰ ক'ভিড পৰিস্থিতিৰ সম্যক বুজ লয়। জিলাখনৰ ক'ভিড পজিটিভিটিৰ হাৰ কমিছে যদিও দৈনিক ৬০ ৰ পৰা ৯০ টা সংক্ৰমণ ধৰা পৰি আছে। সেয়েহে হোম কোৱাৰেন্টাইনৰ সংখ্যা লাহে লাহে কমোৱাৰ বাবে উপায়ুক্তক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে হোম কোৱাৰেন্টাইনত থাকিলে গাঁৰ অঞ্চলত সংক্ৰমণৰ হাৰ বাঢ়ে। মুখ্যমন্ত্ৰীয়ে ৰেপিড এন্টিজেন টেষ্টৰ লগতে আৰ টি পিচিআৰ টেষ্টৰ সংখ্যা জিলাখনত বঢ়োৱাৰ বাবেও নিৰ্দেশ দিয়া হৈছে বুলি কয় যাতে কোকৰাঝাৰ জিলাক অতি সোনকালে ক'ভিড সক্ৰমণৰ পৰা মুক্ত কৰিব পৰা যায়। ৰাজ্যখনত কালি ১ লাখ ২০ হাজাৰ ক'ভিড টেষ্ট কৰা হৈছে বুলি উল্লেখ কৰি ৰাজ্যখনত ক'ভিড ৰোগীৰ সংখ্যা প্ৰতিদিনে ৬ হাজাৰৰ আশে পাশে আছে বুলিও তেওঁ উল্লেখ কৰে। ৬ হাজাৰৰ আশে পাশে ক'ভিড ৰোগীৰ সংখ্যা থাকিলে প্ৰায় ১ শতাংশ লোকৰ মৃত্যু হয় বুলিও তেওঁ কয়। ক'ভিড -১৯ দ্বিতীয় সংক্ৰমণৰ প্ৰকাৰ অত্যন্ত শক্তিশালী বুলি উল্লেখ কৰি ভাৰতৰ বিভিন্ন ৰাজ্যত মৃত্যুৰ হাৰ ১.৫ শতাংশ বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্য চৰকাৰে জটিল ক'ভিড ৰোগীসকলৰ উন্নত চিকিৎসাৰ বাবে আই চি ইউ বিচনা, অক্সিজেনৰ পৰিমান বৃদ্ধি কৰাৰ উপৰি কোৱাৰেন্টাইনৰ সংখ্যা কমাবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলিও তেওঁ কয়। আগন্তুক ১০ দিন মানৰ ভিতৰত ক'ভিড ৰোগীৰ মৃত্যুৰ সংখ্যা কিছু কমিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। ৰাজ্যখনৰ স্বাস্থ্য আন্তঃগাঁথনি শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে প্ৰতিখন জিলা হাস্পতালতে অক্সিজেনৰ নিজা প্লান্ট স্থাপনৰ পৰিকল্পনা কৰি আছে বুলিও তেওঁ জানিবলৈ দিয়ে। ১৮ ৰ পৰা ৪৪ বছৰ বয়সৰ লোকৰ টীকাকৰণৰ ক্ষেত্ৰত বহিঃৰাজ্যৰ লোকে অসমত টীকা লৈ আছে বুলি উঠা অভিযোগৰ প্ৰতি গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে এই বিষয়ে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ পদক্ষেপ লোৱা হ'ব বুলিও জানিবলৈ দিয়ে। ৰাজ্যখনত যাতে অত্যাৱশ্যকীয় সামগ্ৰী তথা ঔষধৰ নাটনি নহয়, সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি ট্ৰাক চালকসকলৰ ক'ভিড পৰীক্ষা তেওঁলোকৰ গন্তব্যস্থানত উপস্থিত হোৱাৰ পিছত কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**বঃভাঃ**
**২৫/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in